**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং : ২২৭**

**উত্তৰ দানৰ তাৰিখ : ১০-০৭-২০২৬**

*বিষয়* : অসমত জলবায়ু পৰিৱৰ্তন আৰু ইয়াৰ প্ৰভাৱ।

**শ্ৰীৰেকিবুদ্দিন আহমেদ, বিধায়ক :**

মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্ত্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ কেনেদৰে পৰিছে, এই সমস্যা সমাধানৰ বাবে চৰকাৰে কি কি পদক্ষেপ লৈছে আৰু ইয়াৰ বাবে মহাকাশ প্ৰযুক্তিৰ সহায় লৈছে নেকি, বিতংকৈ জনাব।

(খ) জলবায়ু পৰিৱৰ্তনৰ বাবে অসমত বৰষুণৰ মাত্ৰা কেতিয়াবা অতি বেছি আৰু কেতিয়াবা অতি কম হয় । ২০১৬ চনৰ পৰা বৰ্তমানলৈ বৰষুণৰ স্বাভাৱিক আৰু অস্বাভাৱিক মাত্ৰাৰ ওপৰত জিলাভিত্তিক তুলনামূলক তথ্য দাখিল কৰিব।

(গ) জলবায়ু পৰিৱৰ্তনৰ বাবে অসমৰ চাহ আৰু অন্যান্য খেতিত বিৰূপ প্ৰভাৱ পৰিছে নেকি? এই বিষয়ে বিতংকৈ জনাব।

(ঘ) জলবায়ু পৰিৱৰ্তনৰ বাবে অসমৰ বন্য জীৱকুল কি কি সংকটৰ সন্মুখীন হৈছে, বিতংকৈ জনাব। ইয়াৰ বাবে কোনো বন্যপ্ৰাণীৰ অস্তিত্বলৈ ভাবুকি আহিছে নেকি জনাব।

(ঙ) জলবায়ু পৰিৱৰ্তনৰ বাবে অসমৰ মানুহৰ স্বাস্থ্য আৰু জীৱিকাত কি প্ৰভাৱ পৰিছে তাৰ ওপৰত প্ৰস্তুত কৰা প্ৰতিবেদনৰ প্ৰতিলিপি দাখিল কৰিব।

(চ) জলবায়ু পৰিৱৰ্তন ৰোধৰ বাবে চৰকাৰে এতিয়ালৈকে কি কি নীতি (Policy) লৈছে, সেয়া কেনেদৰে কাৰ্য্যকৰী কৰিছে, ২০১৬ চনৰ পৰা এতিয়ালৈকে এই বিষয়টোৰ বাবে বাজেটত ধাৰ্য্য কৰা পুঁজিৰ পৰিমাণ কিমান বিতংকৈ জনাব।

**উত্তৰ:**

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব :

(ক) অসমৰ বিভিন্ন খণ্ডত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাব নিম্নলিখিত ধৰণে পৰিছে -

**কৃষিখণ্ড:**

- অস্বাভাৱিক বৰষুণ আৰু আবতৰীয়া বানপানীৰ বাবে অসমত বৰ্ষাকালীন আৰু শীতকালীন ধান খেতি ক্ষতিগ্ৰস্ত হৈছে।
- উত্তাপ বৃদ্ধি হোৱাৰ ফলত অপকাৰী পোক-পতংগৰ সংখ্যা বৃদ্ধি হোৱাত চাহ খেতি প্ৰভাৱিত হৈছে।
- দীঘলীয়া খৰাং বতৰৰ বাবে অসমত চাহখেতিত উৎপাদন হ্ৰাস পোৱা আৰু পোক-পতংগৰ আক্ৰমণ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে।

**জলসম্পদ:**

- দীঘলীয়া খৰাঙৰ কাৰণে জলাশয়সমূহৰ জলস্তৰ হ্ৰাস পাইছে আৰু ফলস্বৰূপে জলজ জৈৱবৈচিত্ৰত ইয়াৰ প্ৰভাৱ পৰিছে।
- বৃষ্টিপাতৰ তাৰতম্যৰ বাবে ভূগৰ্ভস্থ পানীৰ স্তৰ হ্ৰাস পাইছে।
- উত্তাপ বৃদ্ধিৰ বাবে পানীৰ প্ৰয়োজনীয়তা বাঢ়িছে, য'ত নেকি জলাশয়সমূহত অধিক বাষ্পীভৱন হৈছে।

**পৰিৱেশ:**

- উত্তাপ আৰু বৃষ্টিপাতৰ তাৰতম্যৰ বাবে অৰণ্যৰ উদ্ভিদৰ গাঁথনি পৰিৱৰ্তন হৈছে।
- জৈৱ-বৈচিত্ৰৰ ক্ষতি হৈছে, বন্যপ্ৰাণীৰ বসতিস্থলৰ পৰিৱৰ্তন হৈছে।
- বহিৰাগত প্ৰজাতিৰ আগ্ৰাসন পৰিলক্ষিত হৈছে।
- বনাঞ্চলস্থিত জলাশয়সমূহৰ পৰিসীমা আৰু জলস্তৰ হ্ৰাস পাইছে।

**স্বাস্থ্য:**

- উচ্চ প্ৰাবল্যৰ দুৰ্য্যোগ আৰু অস্বাভাৱিক বতৰৰ পৰিঘটনাই মানুহৰ স্বাস্থ্যত বিৰূপ প্ৰভাৱ পেলায়। অতিপাত গৰমৰ বাবে হীটষ্ট্ৰোকৰ দৰে সমস্যা বাঢ়িছে।
- বিভিন্ন ভেক্টৰৰ দ্বাৰা বিয়পা বেমাৰসমূহৰ ভৌগোলিক পৰিসীমা বিস্তাৰিত হোৱাৰ আশংকা কৰা হৈছে।

ক্ৰমশ.......পৃ/২

এই সমস্যাবোৰৰ সমাধানৰ বাবে নিম্নলিখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে-

1. জলবায়ু পৰিৱৰ্তনৰ সমস্যাক অগ্ৰাধিকাৰ দিয়াৰ উদ্দেশ্যে অসম চৰকাৰে পৰিৱেশ আৰু বন বিভাগক পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগ হিচাপে নামাকৰণ কৰি নোডেল বিভাগ হিচাপে দায়িত্ব দিছে। বিভিন্ন বিভাগসমূহৰ মাজত সমন্বয় ৰক্ষা কৰি অসম ৰাজ্যিক জলবায়ু পৰিৱৰ্তন কৰ্ম আঁচনি ৰূপায়ণ কৰাৰ কাৰণে অসম চৰকাৰে পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ অধীনত অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতি গঠন কৰিছে।
2. **অসম ৰাজ্যিক জলবায়ু পৰিৱৰ্তন কৰ্ম আঁচনি (Assam State Action Plan on Climate Change):**
   - জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱসমূহৰ সৈতে মোকাবিলা কৰাৰ বাবে আৰু ৰাজ্যৰ জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত স্থিতিস্থাপকতা (Climate Resilience) শক্তিশালী কৰাৰ বাবে, ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ৰ নিৰ্দেশনাৱলী অনুসৰি ৰাজ্য চৰকাৰে ২০১৫ চনত প্ৰথম অসম ৰাজ্যিক জলবায়ু পৰিৱৰ্তন কাৰ্যকৰী পৰিকল্পনা প্ৰস্তুত কৰিছিল।
   - ২০২১-২০৩০ বৰ্ষৰ বাবে পুনৰবাৰ অসম ৰাজ্যিক জলবায়ু পৰিৱৰ্তন কাৰ্যকৰী পৰিকল্পনাখন সংশোধন কৰা হৈছে। এই পৰিকল্পনাখন ভাৰতৰ ৰাষ্ট্ৰীয়ভাৱে নিৰ্ধাৰিত সংকল্প (India's Nationally Determined Contribution), বহনক্ষম উন্নয়ন লক্ষ্য (Sustainable Development Goals) আৰু জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰাধান্য দিয়া দিশসমূহক সাঙুৰি সংশোধিত ৰূপত প্ৰস্তুত কৰা হৈছে। সংশোধিত পৰিকল্পনাখনত কৃষি আৰু সংলগ্ন খণ্ড, শক্তি, জলসম্পদ, অৰণ্য আৰু জৈববৈচিত্ৰ, স্বাস্থ্য, নগৰীয়া আৰু গাঁৱলীয়া আৱাস, দুৰ্যোগ প্ৰশমন আৰু পৰিকল্পিত শিক্ষা ক্ষেত্ৰক অন্তৰ্ভুক্ত কৰা হৈছে।

   উপৰোক্ত ক্ষেত্ৰসমূহত জলবায়ু পৰিৱৰ্তন প্ৰশমন আৰু ইয়াৰ সৈতে অভিযোজন কৰাৰ বাবে সৰ্বমুঠ ৩৬ টা কৌশল অনুযায়ী ২১১ টা কৰ্মআঁচনি সন্নিৱিষ্ট কৰা হৈছে। সংশ্লিষ্ট বিভাগসমূহে ৪৩ জন নোডেল বিষয়াৰ মাধ্যমেৰে এই আঁচনিসমূহৰ ৰূপায়ণ আৰু নিয়মীয়া নিৰীক্ষণ কৰি আছে।
3. জলবায়ু পৰিৱৰ্তন বিষয়ক গৱেষণা:

   অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে বিভিন্ন বিভাগক জলবায়ু পৰিৱৰ্তন বিষয়ত সহায় কৰাৰ উদ্দেশ্যে নিম্নোক্ত গৱেষণাৰ প্ৰকল্পসমূহ হাতত লৈছে:

   **সমাপন হোৱা প্ৰকল্প:**

   a. Scoping Study on Grid Connected Solar PV Systems in Government Buildings of Majuli District.
   b. Scoping Study on Electric Driven Public Transport System in Majuli District.
   c. District-level Vulnerability Assessment for Assam.
   d. District-level Risk Assessment for Assam.
   e. Pre-feasibility Studies for implementation of Green Brick Production Technologies in Assam.
   f. Green Budget Tagging for various departmental schemes/projects and policies of Government of Assam.

   **চলি থকা প্ৰকল্পসমূহ:**

   a. Assam Climate Action Roadmap for 2050.
   b. District-level Climate Action Plan for all districts of Assam.
   c. Sectoral and district-wise Greenhouse Gas inventories for Assam.
   d. State of Environment Report for Assam (SOER).
   e. Study for developing flood management plan: Prioritizing blue-green interventions and developing a climate resilient Dibrugarh Town.
   f. Study and Documentation of Groundwater level in piedmont plain of Northern Assam for future climate-resilient water management.
   g. Scoping Study and Pilot implementation for Building Sustainability and Climate resilience in the Tea sector.
   h. Assam Cooling Action Plan for Industry, Building and Cold Chain sector.
4. **সজাগতা আৰু সমলবিকাশ কৰ্মশালা:**

   জলবায়ু পৰিৱৰ্তন বিষয়ত সজাগতা বৃদ্ধিৰ বাবে অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে চৰকাৰী বিষয়ববীয়াসকলৰ বাবে বিভিন্ন পৰ্যায়ত আৰু জনসাধাৰণৰ মাজতো সজাগতা সভা তথা সমলবিকাশৰ বাবে কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। এতিয়ালৈকে ৭০ খন কৰ্মশালা অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে অনুষ্ঠিত কৰিছে আৰু প্ৰায় ৬৭০০ বিভাগীয় বিষয়ববীয়া, জিলা পৰিষদৰ বিষয়ববীয়া, পঞ্চায়তৰ সদস্য, মহিলা আত্মসহায়ক গোটৰ সদস্যা আদিক যাৱতীয় জলবায়ু পৰিৱৰ্তনৰ বিষয়ে সজাগ কৰা হৈছে।

ক্ৰমশ.......পৃ/৩

এই পদক্ষেপসমূহ লোৱাৰ বাবে মহকাশ প্ৰযুক্তিৰ সহায় লোৱা হোৱা নাই।

(খ) এই ক্ষেত্ৰত অসম ৰাজ্যিক দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ASDMA) ৰ পৰা সংগ্ৰহ কৰা তথ্য সংলগ্ন "ক" ত উল্লেখ কৰা হ'ল ।

(গ) হয়, জলবায়ু পৰিৱৰ্তনে অসমৰ চাহ আৰু অন্যান্য খেতিত প্ৰভাৱ পেলাইছে।

অসম ৰাজ্যিক জলবায়ু পৰিৱৰ্তন কৰ্ম আঁচনি (২০২১-২০৩০) ত কৰা অধ্যয়ন অনুযায়ী নিম্নোক্ত ধৰণে চাহ খেতি আৰু অন্যান্য খেতি প্ৰভাৱিত হোৱা দেখা গৈছে :

**১) মৌচুমী বৰষুণ হ্ৰাস আৰু বৰষুণৰ তাৰতম্য :**

- অসমৰ মূল শস্য ধান খেতি বিশেষকৈ শীতকালীন বৰো ধানৰ খেতিৰ উৎপাদনৰ ক্ষেত্ৰত মৌচুমী বৰষুণ হ্ৰাস পোৱা আৰু বৰষুণৰ পৰিমাণৰ লগতে বৰষুণৰ সময় অনিয়মীয়া হোৱাৰ প্ৰভাৱ পৰিছে।
- বৰষুণৰ তীব্ৰতা বৃদ্ধি পোৱাৰ বাবে চাহখেতিৰ উৎপাদনত বিৰূপ প্ৰভাৱ পৰিছে।

২) সৰ্বোচ্চ আৰু সৰ্বনিম্ন উষ্ণতা বৃদ্ধি :

- প্ৰক্ষেপণ অনুযায়ী, ভৱিষ্যতে উষ্ণতা বৃদ্ধিৰ বাবে অসমৰ মূল শস্য গ্ৰীষ্মকালীন, শীতকালীন ধান, সৰিয়হ আৰু আলুৰ গড় উৎপাদন হ্ৰাস পাব পাৰে। ভৱিষ্যতৰ বাবে প্ৰক্ষেপিত উষ্ণতা বৃদ্ধিয়ে অসমৰ ৫ বিধ প্ৰধান শস্য - শৰৎকালীন ধান, গ্ৰীষ্মকালীন ধান, শীতকালীন ধান, সৰিয়হ আৰু আলুৰ গড় উৎপাদন হ্ৰাস কৰিব পাৰে।
- ধানৰ উৎপাদন ২০৩০, ২০৫০ আৰু ২০৮০ চনৰ ভিতৰত ক্ৰমান্বয়ে ৩.৫৬%, ৫.৪৯% আৰু ৬.৭৯% হ্ৰাস পাব পাৰে (RCP 4.৫ পৰিস্থিতিৰ ভিত্তিত)। RCP ৮.৫ অৰ্থাৎ অধিক উষ্ণতা বৃদ্ধিৰ পৰিস্থিতিত এই হ্ৰাসৰ পৰিমাণ ৩.৮৯%, ৬.৭২% আৰু ১১.৩৯% লৈ বৃদ্ধি পাব পাৰে।
- চাহগছৰ বৃদ্ধিৰ কালত মাহিলী গড় উষ্ণতা ২৬.৬ ডিগ্ৰী চেলচিয়াছতকৈ বেছি হ'লে চাহৰ উৎপাদন ব্যাহত হয়।
- উষ্ণতা বাঢ়ি অহাৰ ফলত চাহ বাগিচাত কীট-পতংগৰ উপদ্ৰৱ বৃদ্ধি পোৱাৰ বাবে চাহ খেতিৰ উৎপাদন ক্ষতিগ্ৰস্ত হৈছে।

৩) অত্যাধিক বৰষুণ আৰু বানপানী:

- জলবায়ু পৰিৱৰ্তনৰ ফলশ্ৰুতিত কম সময়ৰ ভিতৰত অহা মুষলধাৰ বৰষুণ আৰু বানপানীয়ে খাৰিফ শস্য (বিশেষকৈ শালি ধান) ক্ষতিগ্ৰস্ত কৰে।

৪) খৰাং প্ৰৱণতা:

- ঠাইবিশেষে সৃষ্টি হোৱা খৰাং সদৃশ পৰিস্থিতিয়ে ধান খেতিৰ উৎপাদন আৰু ইয়াৰ বৃদ্ধিৰ বিভিন্ন স্তৰক প্ৰভাৱিত কৰে।
- অধিক দীঘলীয়া সময়ৰ বাবে এনে পৰিৱেশ সৃষ্টি হ'লে চাহ খেতিৰ উৎপাদন কমে, লগতে কীটৰ আক্ৰমণো অধিক হয়।

  অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিৰ "Building Sustainability and Climate Resilience of the Tea Sector in Assam" শীৰ্ষক এক শেহতীয়া প্ৰতিবেদন অনুসৰি সৰ্বমুঠ চাহ উৎপাদন ২০১৯ চনৰ ৭১৬ নিযুত কেজিৰ পৰা ২০২০ চনত ৬১৮ নিযুত কেজিলৈ হ্ৰাস পাইছিল। প্ৰতি হেক্টৰত চাহৰ উৎপাদন ২০১৯ চনৰ ২,১২৩ কেজি/হেক্টৰৰ পৰা ২০২১ চনত ১,৯২৩ কেজি/হেক্টৰলৈ হ্ৰাস পোৱা দেখা গৈছে।

(ঘ) জলবায়ু পৰিৱৰ্তনৰ বাবে অসমৰ বন্য জীৱকুল নিম্নলিখিত কিছুমান সংকটৰ সন্মুখীন হৈছে-

- বানপানীৰ বাবে বলপূৰ্বক প্ৰব্ৰজন আৰু স্থানচ্যুতি হোৱা।
- মানৱ-বন্যপ্ৰাণী সংঘাত বৃদ্ধি হোৱা।
- বাসস্থানৰ খণ্ডিতকৰণ আৰু ক্ষতিৰ বাবে পৰম্পৰাগত প্ৰব্ৰজনকাৰী কৰিড'ৰসমূহ বন্ধ হৈ পৰা।
- বানপানীৰ ফলত গুৰুত্বপূৰ্ণ ঘাঁহনিৰ পৰিৱেশ তন্ত্ৰৰ ক্ষতি হোৱাত তৃণভোজীৰ বাবে প্ৰাথমিক খাদ্যৰ উৎসৰ অভাৱ হোৱা।
- গৰাখহনীয়াৰ ফলত অভয়াৰণ্যৰ ভিতৰত বন্যপ্ৰাণীৰ বাবে উপলব্ধ ভৌতিক বাসস্থান স্থায়ীভাৱে সংকুচিত হোৱা ইত্যাদি।

(ঙ) অসম ৰাজ্যিক জলবায়ু পৰিৱৰ্তন কৰ্ম আঁচনিৰ এক গুৰুত্বপূৰ্ণ খণ্ড হ'ল মানৱ স্বাস্থ্য। জলবায়ু পৰিৱৰ্তনৰ বাবে মানুহৰ স্বাস্থ্য তলত উল্লেখ কৰা ধৰণে প্ৰভাৱিত হৈছে:

- পানীজনিত ৰোগ যেনে ডায়েৰিয়া, ডিচেণ্ট্ৰী, কলেৰা, গেষ্ট্ৰ'এণ্টেৰাইটিছ আদিৰ বৃদ্ধি হোৱা।

ক্ৰমশ........পৃ/৪

- অত্যধিক আৰ্দ্ৰতাৰ ফলত তীব্ৰ শ্বাস-প্ৰশ্বাসজনিত সংক্ৰমণৰ প্ৰাদুৰ্ভাৱ আৰু ইনফ্লুৱেঞ্জাৰ দৰে ৰোগ হোৱা।
- উষ্ণতা বৃদ্ধিৰ ফলত চহৰত তাপজনিত ৰোগ যেনে dehydration, heat cramps, heat exhaustion, heat stroke আদি বৃদ্ধি পোৱা।
- গৰমৰ চাপৰ ফলত হোৱা মৃত্যু আৰু ৰোগজনিত হাৰ বৃদ্ধি হোৱা।
- জলবায়ু পৰিৱৰ্তনৰ ফলত তীব্ৰতৰ হৈ যোৱা বায়ু প্ৰদূষণৰ সংস্পৰ্শলৈ অহাৰ বাবে সাধাৰণ জনসংখ্যাৰ শ্বাস-প্ৰশ্বাসজনিত ৰোগ বৃদ্ধি হোৱা।
- উক্ত কৰ্ম আঁচনিখন www.accms.org.in (লিংক) ত উপলব্ধ।

(চ) জলবায়ু পৰিৱৰ্তন ৰোধৰ বাবে চৰকাৰে এতিয়ালৈকে লোৱা নীতি (Policy) সমূহ হৈছে :-

1. অসম সৌৰ শক্তি উৎপাদন প্ৰসাৰ নীতি ২০২৫ (Assam Solar Power Generation Promotion Policy, 2025)
2. অসমৰ বৈদ্যুতিক বাহন নীতি, ২০২১ (Electric Vehicle Policy of Assam, 2021)
3. অসম কৃষি বনানীকৰণ নীতি, ২০২৪ (Assam Agroforestry Policy, 2024)
4. Assam Energy Conservation Building Code (ECBC)

উল্লেখিত নীতিসমূহৰ তথ্যৰ লগতে বাজেটত ধাৰ্য কৰা পুঁজিৰ পৰিমাণ উক্ত কাৰ্যকৰী বিভাগৰ পৰা সংগ্ৰহ কৰিব পৰা যাব।

জলবায়ু পৰিৱৰ্তন ৰোধৰ বাবে ২০২০-২১ বৰ্ষৰ পৰা ২০২৫-২৬ চনলৈ অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিৰ বাজেটৰ প্ৰস্তাৱ সমূহ আৰু আৱণ্টন হোৱা পুঁজিৰ তথ্য তলত উল্লেখ কৰা হৈছে:

| ক্ৰমিক নং | বৰ্ষ | পুঁজি (লাখ) | মন্তব্য |
|---|---|---|---|
| ১. | ২০২০-২১ | ২৪.৮ | |
| ২. | ২০২১-২২ | ৭৩.৬৬ | |
| ৩. | ২০২২-২৩ | ৭১.৮ | |
| ৪. | ২০২৩-২৪ | ৫৮.৯৫ | পুঁজি আৱণ্টন হোৱা নাই |
| ৫. | ২০২৪-২৫ | ৪২.৮ | পুঁজি আৱণ্টন হোৱা নাই |
| ৬. | ২০২৫-২৬ | ৪৩.৮ | |

বি.দ্ৰঃ ওপৰত উল্লেখ কৰা সংলগ্নসমূহ https://neva.gov.in/ ত দিয়া হ'ল ।

****

অং লগ্ন "খ"

**GOVERNMENT OF ASSAM**
**ASSAM STATE DISASTER MANAGEMENT AUTHORITY**
**ANCILLARY BLOCK, ASSAM SECRETARIAT, DISPUR, GUWAHATI-781006**
**Phone: 0361-2237221 (O); 0361-2237010 (Fax);**
**E-mail: asdmaghy@gmail.com; Website: www.asdma.gov.in**

---

No. 732323 /12 Dated: July 08, 2026

From : Alakananda Medhi, ACS
Deputy Secretary & SPC
Assam State Disaster Management Authority
Dispur, Guwahati-06

To : The Joint Secretary
Environment Forest & Climate Change Deptt.
Assam Secretariat, Dispur -06

**Ref: 810973/06 dated July 07, 2026**

**Sub : Reply on Assembly Questions against the Dy. No. 15**

Sir,

With reference to the subject above and letter under reference, I am forwarding herewith relevant materials at Annexure A, Annexure B and Annexure C for preparation and submission of reply in respect of (Kha) of Assembly Question Dy No. 15 for necessary action.

Yours faithfully,

Digitally signed by
ALAKANANDA MEDHI
Date: 08-07-2026
14:09:37

(Alakananda Medhi, ACS)
Deputy Secretary & SPC
Assam State Disaster Management Authority

PD
8/7/26

4886719
08/07/2026

ANNEXURE-A

APPENDIX-I

RAINFALL DATA FROM IMD

| | | 2018 | | | 2017 | | | 2016 | | | 2015 | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| SL. NO. | NAME | ACTUAL | NORMAL | DEP | ACTUAL | NORMAL | DEP | ACTUAL | NORMAL | DEP | ACTUAL | NORMAL | DEP |
| 1 | BAKSA | 1321.2 | 2410.6 | -45 | 1396.3 | 2410.6 | -42 | 1175 | 2410.6 | -51 | 1847.2 | 2410.6 | -23 |
| 2 | BARPETA | 2065.5 | 2410.6 | -14 | 2090.7 | 2410.6 | -13 | 1769.1 | 2410.6 | -27 | 2437.7 | 2410.6 | 1 |
| 3 | BONGAIGAON | 1748 | 2253.7 | -22 | 2424.5 | 2253.7 | 8 | 1858.1 | 2253.7 | -18 | 2557.8 | 2253.7 | 13 |
| 4 | CACHAR | 1642.7 | 1860.2 | -12 | 1797.5 | 1860.2 | -3 | 1584.2 | 1860.2 | -15 | 1594.7 | 1860.2 | -14 |
| 5 | CHIRANG | 2784.3 | 2253.7 | 24 | 3454.9 | 2253.7 | 53 | 2482.2 | 2253.7 | 10 | 3197.4 | 2253.7 | 42 |
| 6 | DARRANG | 359.8 | 1246.7 | -71 | | 1246.7 | | | 1246.7 | | | 1246.7 | |
| 7 | DHEMAJI | 591.2 | 1998.9 | -70 | 2049 | 1998.9 | 3 | 0 | 1998.9 | -100 | 1694 | 1998.9 | -15 |
| 8 | DHUBRI | 1140.8 | 1891.7 | -40 | 1425.1 | 1891.7 | -25 | 1425.9 | 1891.7 | -25 | 1807.7 | 1891.7 | -4 |
| 9 | DIBRUGARH | 1350.1 | 1629.9 | -17 | 1281 | 1629.9 | -21 | 1189.3 | 1629.9 | -27 | 1444.3 | 1629.9 | -11 |
| 10 | GOALPARA | 1164.9 | 1666.6 | -30 | 1511.2 | 1666.6 | -9 | 1430 | 1666.6 | -14 | 2181.9 | 1666.6 | 31 |
| 11 | GOLAGHAT | 922.4 | 1038.3 | -11 | 983.4 | 1038.3 | -5 | 1040.9 | 1038.3 | 0 | 765 | 1038.3 | -26 |
| 12 | HAILAKANDI | 1216.1 | 1591.1 | -24 | 1469.1 | 1591.1 | -8 | 1418.4 | 1591.1 | -11 | 1557.3 | 1591.1 | -2 |
| 13 | JORHAT | 1242.1 | 1276.3 | -3 | 1160.5 | 1276.3 | -9 | 1131.2 | 1276.3 | -11 | 1068.3 | 1276.3 | -16 |
| 14 | KAMRUP (RURAL) | 814.5 | 1129.9 | -28 | 1085.3 | 1129.9 | -4 | 872.9 | 1129.9 | -23 | 1102.4 | 1129.9 | -2 |
| 15 | KAMRUP METRO | 811.5 | 1129.9 | -28 | 1042.5 | 1129.9 | -8 | 839.6 | 1129.9 | -26 | 1030.7 | 1129.9 | -9 |
| 16 | KARBI ANGLONG | 661.7 | 854.2 | -23 | 860.3 | 854.2 | 1 | 854 | 854.2 | 0 | 702.3 | 854.2 | -18 |
| 17 | KARIMGANJ | 1980.5 | 2125.9 | -7 | 2597.5 | 2125.9 | 22 | 1738.7 | 2125.9 | -18 | 2055.9 | 2125.9 | -3 |
| 18 | KOKRAJHAR | 2427.8 | 2775.4 | -13 | 2785.8 | 2775.4 | 0 | 1803.1 | 2775.4 | -35 | 3142 | 2775.4 | 13 |
| 19 | LAKHIMPUR | 1995.3 | 1998.9 | 0 | 2303 | 1998.9 | 15 | 2034.6 | 1998.9 | 2 | 2079.6 | 1998.9 | 4 |
| 20 | MORIGAON | 779 | 1197.2 | -35 | 943 | 1197.2 | -21 | 1015.2 | 1197.2 | -15 | 1093.4 | 1197.2 | -9 |
| 21 | N. C. HILLS | 751.9 | 969 | -22 | 1169.8 | 969 | 21 | 512 | 969 | -47 | 1089.3 | 969 | 12 |
| 22 | NAGAON | 719.5 | 1109.7 | -35 | 841.9 | 1109.7 | -24 | 750 | 1109.7 | -32 | 62.9.8 | 1109.7 | -43 |
| 23 | NALBARI | 1158.6 | 1549.8 | -25 | 1156.1 | 1549.8 | -25 | 1268 | 1549.8 | -18 | 1592.4 | 1549.8 | 3 |
| 24 | SONITPUR | 1088.9 | 1300 | -16 | 1369.6 | 1300 | 5 | 767.3 | 1300 | -41 | 1377.1 | 1300 | 6 |
| 25 | SIBSAGAR | 1057 | 1156.8 | -9 | 1015.6 | 1156.8 | -12 | 1072.5 | 1156.8 | -7 | 1104.9 | 1156.8 | -4 |
| 26 | TINSUKIA | 1174.6 | 1600.8 | -27 | 1356.6 | 1600.8 | -15 | 1323.8 | 1600.8 | -17 | 1634.3 | 1600.8 | 2 |
| 27 | UDALGURI | 1405.2 | 1246.7 | 13 | 1083.9 | 1246.7 | -13 | 827.6 | 1246.7 | -34 | 1211 | 1246.7 | -3 |

ANNEXURE-B

APPENDIX I

## PRE MONSOON PERIOD ( 1ST MARCH TO 31ST MAY )

| | | 2017 | | | 2018 | | | 2019 | | | 2020 | | | 2021 | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| DISTRICTS | ACTUAL | NORMAL | DEPARTURE | ACTUAL | NORMAL | DEPARTURE | ACTUAL | NORMAL | DEPARTURE | ACTUAL | NORMAL | DEPARTURE | ACTUAL | NORMAL | DEPARTURE |
| BAKSA | 497 | 593.8 | -16 | 477.8 | 593.8 | -20 | 917.4 | 593.8 | 54 | 753.5 | 593.8 | 27 | 384.3 | 593.8 | -35 |
| BARPETA | 624.2 | 642.5 | -3 | 698 | 642.5 | 9 | 876 | 642.5 | 36 | 732.9 | 642.5 | 14 | 393.9 | 642.5 | -39 |
| BONGAIGAON | 672.6 | 674 | 0 | 786.5 | 674 | 17 | 542.2 | 674 | -20 | 664.4 | 674 | -1 | 264.6 | 674 | -61 |
| CACHAR | 1033.5 | 846.1 | 22 | 733.9 | 846.1 | -13 | 512.3 | 846.1 | -39 | 505.7 | 846.1 | -40 | 618.1 | 846.1 | -27 |
| CHIRANG | 946.5 | 754.8 | 25 | 817.3 | 754.8 | 8 | 567.8 | 754.8 | -25 | 937.8 | 754.8 | 24 | 387.6 | 754.8 | -49 |
| DARRANG | | 551.3 | | 180.2 | 551.3 | -67 | 530.7 | 551.3 | -4 | 172.8 | 551.3 | -69 | NA | 551.3 | NA |
| DHEMAJI | 656 | 544.5 | 20 | 165 | 544.5 | -70 | 353.7 | 544.5 | -35 | 821.5 | 544.5 | 51 | 413.9 | 544.5 | -24 |
| DHUBRI | 802.1 | 665.6 | 21 | 773 | 665.6 | 16 | 608.4 | 665.6 | -9 | 870.9 | 665.6 | 31 | 371.3 | 665.6 | -44 |
| DIBRUGARH | 671.2 | 594.3 | 13 | 463.5 | 594.3 | -22 | 702.4 | 594.3 | 18 | 477.2 | 594.3 | -20 | 401.3 | 594.3 | -32 |
| GOALPARA | 714.4 | 652.4 | 9 | 683.8 | 652.4 | 5 | 836.6 | 652.4 | 28 | 1117.5 | 652.4 | 71 | 369.9 | 652.4 | -43 |
| GOLAGHAT | 562.6 | 418.2 | 35 | 353.9 | 418.2 | -15 | 517.6 | 418.2 | 24 | 322.5 | 418.2 | -23 | 259.7 | 418.2 | -38 |
| HAILAKANDI | 987.3 | 771.2 | 28 | 581.6 | 771.2 | -25 | 703.9 | 771.2 | -9 | 411.7 | 771.2 | -47 | 456.4 | 771.2 | -41 |
| JORHAT | 603.8 | 471.2 | 28 | 368.3 | 471.2 | -22 | 557.3 | 471.2 | 18 | 419.7 | 471.2 | -11 | 351.2 | 471.2 | -25 |
| KAMRUP (RURAL) | 699.7 | 516 | 36 | 338.7 | 516 | -34 | 791.6 | 516 | 53 | 603.3 | 516 | 17 | 251.7 | 516 | -51 |
| KAMRUP METRO | 532.7 | 404.5 | 32 | 353.9 | 404.5 | -13 | 577.2 | 404.5 | 43 | 602.8 | 404.5 | 49 | 278 | 404.5 | -31 |
| KARBI ANGLONG | 379.1 | 284.7 | 33 | 214.6 | 284.7 | -25 | 341.4 | 284.7 | 20 | 190.9 | 284.7 | -33 | 175.4 | 284.7 | -38 |
| KARIMGANJ | 1731 | 992.7 | 74 | 834.7 | 992.7 | -16 | 701.8 | 992.7 | -29 | 506.9 | 992.7 | -49 | 547.8 | 992.7 | -45 |
| KOKRAJHAR | 876.7 | 740.4 | 18 | 778.9 | 740.4 | 5 | 917.3 | 740.4 | 24 | 887.3 | 740.4 | 20 | 390.6 | 740.4 | -47 |
| LAKHIMPUR | 783.5 | 547.3 | 43 | 562.8 | 547.3 | 3 | 600.6 | 547.3 | 10 | 447.5 | 547.3 | -18 | 421.3 | 547.3 | -23 |
| MORIGAON | 415.8 | 340.4 | 22 | 247.6 | 340.4 | -27 | 334.5 | 340.4 | -2 | 258.4 | 340.4 | -24 | 219.7 | 340.4 | -35 |
| N. C. HILLS | 737.3 | 581.7 | 27 | 326 | 581.7 | -44 | 476.5 | 581.7 | -18 | 469.4 | 581.7 | -19 | 491.9 | 581.7 | -15 |
| NAGAON | 419.1 | 387.8 | 8 | 199.5 | 387.8 | -49 | 273.6 | 387.8 | -29 | 267.4 | 387.8 | -31 | 132.8 | 387.8 | -66 |
| NALBARI | 592.8 | 605.3 | -2 | 461.9 | 605.3 | -24 | 919.9 | 605.3 | 52 | 757.3 | 605.3 | 25 | 345.6 | 605.3 | -43 |
| SHONITPUR | 472.6 | 451 | 5 | 372.6 | 451 | -17 | 582.1 | 451 | 29 | 386.2 | 451 | -14 | 222.9 | 451 | -51 |
| SIBSAGAR | 549.4 | 460.1 | 19 | 380.6 | 460.1 | -17 | 648.4 | 460.1 | 41 | 388.5 | 460.1 | -16 | 335.8 | 460.1 | -27 |
| TINSUKIA | 757.7 | 638 | 19 | 578.2 | 638 | -9 | 723 | 638 | 13 | 449.7 | 638 | -30 | 446.3 | 638 | -30 |
| UDALGURI | 473.5 | 494.8 | -4 | 361.9 | 494.8 | -27 | 638.4 | 494.8 | 29 | 441.2 | 494.8 | -11 | 313.1 | 494.8 | -37 |

End.

APPENDIX I

## MONSOON PERIOD ( 1ST JUNE TO 30TH SEPT )

| | 2017 | | | 2018 | | | 2019 | | | 2020 | | | 2021 | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| DISTRICTS | ACTUAL | NORMAL | DEPARTURE | ACTUAL | NORMAL | DEPARTURE | ACTUAL | NORMAL | DEPARTURE | ACTUAL | NORMAL | DEPARTURE | ACTUAL | NORMAL | DEPARTURE |
| BAKSA | 1416.8 | 1226.6 | 16 | 1404.7 | 1226.6 | 15 | 1824.5 | 1226.6 | 49 | 2326.1 | 1226.6 | 90 | 1338.5 | 1226.6 | 9 |
| BARPETA | 2259.3 | 2381 | -5 | 2132.1 | 2381 | -10 | 2276.7 | 2381 | -4 | 3301.6 | 2381 | 39 | 1964.2 | 2381 | -18 |
| BONGAIGAON | 2648.5 | 2309.8 | 15 | 1807.4 | 2309.8 | -22 | 2493.6 | 2309.8 | 8 | 2372.3 | 2309.8 | 3 | 1361.4 | 2309.8 | -41 |
| CACHAR | 1829 | 1867.4 | -2 | 1651.9 | 1867.4 | -12 | 1788.8 | 1867.4 | -4 | 1893.4 | 1867.4 | 1 | 1711.3 | 1867.4 | -8 |
| CHIRANG | 3580.7 | 2291.7 | 56 | 2856.9 | 2291.7 | 25 | 2682.9 | 2291.7 | 17 | 4326.5 | 2291.7 | 89 | 2257.6 | 2291.7 | -1 |
| DARRANG | | 1257.1 | | 365.8 | 1257.1 | -71 | 368.9 | 1257.1 | -71 | 498 | 1257.1 | -60 | 841.9 | 1257.1 | -33 |
| DHEMAJI | 2055 | 1820.6 | 13 | 598.2 | 1820.6 | -67 | 2315.8 | 1820.6 | 27 | 3652.3 | 1820.6 | 101 | 1588.3 | 1820.6 | -13 |
| DHUBRI | 1514.7 | 2140.1 | -29 | 1143.6 | 2140.1 | -47 | 1664.6 | 2140.1 | -22 | 2474.4 | 2140.1 | 16 | 1194.7 | 2140.1 | -44 |
| DIBRUGARH | 1295 | 1611.6 | -20 | 1357.6 | 1611.6 | -16 | 1320.8 | 1611.6 | -18 | 1501.8 | 1611.6 | -7 | 1103.8 | 1611.6 | -32 |
| GOALPARA | 1884.9 | 1818.8 | 4 | 1165.9 | 1818.8 | -36 | 1756.3 | 1818.8 | -3 | 1719.9 | 1818.8 | -5 | 1413.3 | 1818.8 | -22 |
| GOLAGHAT | 1033.7 | 1079.3 | -4 | 932 | 1079.3 | -14 | 922 | 1079.3 | -15 | 923.5 | 1079.3 | -14 | 925.1 | 1079.3 | -14 |
| HAILAKANDI | 1503.9 | 1554.4 | -3 | 1231.5 | 1554.4 | -21 | 1490 | 1554.4 | -4 | 1632.5 | 1554.4 | 5 | 1278.9 | 1554.4 | -18 |
| JORHAT | 1193.8 | 1276 | -6 | 1275.4 | 1276 | 0 | 1193 | 1276 | -7 | 1419.7 | 1276 | 11 | 982.4 | 1276 | -23 |
| KAMRUP (RURAL) | 1107.1 | 1302.3 | -15 | 846.5 | 1302.3 | -35 | 943.4 | 1302.3 | -28 | 1529.1 | 1302.3 | 17 | 837.3 | 1302.3 | -36 |
| MRUP METROPOLIT | 1088.3 | 978.6 | 11 | 811.5 | 978.6 | -17 | 926.2 | 978.6 | -5 | 1246.1 | 978.6 | 27 | 711.4 | 978.6 | -27 |
| KARBI ANGLONG | 875.8 | 862.4 | 2 | 663.3 | 862.4 | -23 | 487.7 | 862.4 | -43 | 788.3 | 862.4 | -9 | 703.2 | 862.4 | -18 |
| KARIMGANJ | 2640.6 | 2186.7 | 21 | 1986.8 | 2186.7 | -9 | 1878.9 | 2186.7 | -14 | 2558.9 | 2186.7 | 17 | 1840.1 | 2186.7 | -16 |
| KOKRAJHAR | 2950 | 2705.9 | 9 | 2470.2 | 2705.9 | -9 | 3050.3 | 2705.9 | 13 | 4111.4 | 2705.9 | 52 | 2331.1 | 2705.9 | -14 |
| LAKHIMPUR | 2376 | 2002.9 | 19 | 2005.6 | 2002.9 | 0 | 2068.3 | 2002.9 | 3 | 2212.2 | 2002.9 | 10 | 1225.9 | 2002.9 | -39 |
| MORIGAON | 952.8 | 1148.4 | -17 | 779 | 1148.4 | -32 | 740.9 | 1148.4 | -35 | 794.2 | 1148.4 | -31 | 769.3 | 1148.4 | -33 |
| N. C. HILLS | 1246.2 | 1085.7 | 15 | 855.5 | 1085.7 | -21 | 868.4 | 1085.7 | -20 | 1030.4 | 1085.7 | -5 | 652.3 | 1085.7 | -40 |
| NAGAON | 874.2 | 1013.1 | -14 | 734.5 | 1013.1 | -27 | 649.7 | 1013.1 | -36 | 523.5 | 1013.1 | -48 | 538.6 | 1013.1 | -47 |
| NALBARI | 1185.7 | 1586.7 | -25 | 1203.2 | 1586.7 | -24 | 1793 | 1586.7 | 13 | 2256.5 | 1586.7 | 42 | 1488.4 | 1586.7 | -6 |
| SHONITPUR | 1426.1 | 1164.5 | 22 | 1143.8 | 1164.5 | -2 | 1172.3 | 1164.5 | 1 | 987.9 | 1164.5 | -15 | 1107.9 | 1164.5 | -5 |
| SIBSAGAR | 1023.8 | 1191.2 | -14 | 1073 | 1191.2 | -10 | 878.5 | 1191.2 | -26 | 1355.6 | 1191.2 | 14 | 1104.5 | 1191.2 | -7 |
| TINSUKIA | 1372.9 | 1516.9 | -9 | 1176.6 | 1516.9 | -22 | 1357.9 | 1516.9 | -10 | 1931.3 | 1516.9 | 27 | 1051.4 | 1516.9 | -31 |
| UDALGURI | 1106.2 | 1408.2 | -21 | 1520.8 | 1408.2 | 8 | 1651.7 | 1408.2 | 17 | 1335.8 | 1408.2 | -5 | 1004.7 | 1408.2 | -29 |

ANNEXURE-C

## Monsoon Rainfall for last Five Years

| SL NO. | DISTRICT | 1st JUNE to 30th SEPT 2021 | | | 1st JUNE to 30th SEPT 2022 | | | 1st JUNE to 30th SEPT 2023 | | | 1st JUNE to 30th SEPT 2024 | | | 1st JUNE to 30th SEPT 2025 | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | ACTUAL (mm) | NORMAL (mm) | DEPARTURE (%) | ACTUAL (mm) | NORMAL (mm) | DEPARTURE (%) | ACTUAL (mm) | NORMAL (mm) | DEPARTURE (%) | ACTUAL (mm) | NORMAL (mm) | DEPARTURE (%) | ACTUAL (mm) | NORMAL (mm) | DEPARTURE (%) |
| 1 | BAJALI | | 2139.6 | | | 2139.6 | | | 2139.6 | | | 2139.6 | | 758.5 | 2139.6 | -65 |
| 2 | BAKSA | 1338.5 | 1623.4 | -18 | 1716.3 | 1623.4 | 6 | 1792.3 | 1623.4 | 10 | 1462.9 | 1623.4 | -10 | 885 | 1623.4 | -45 |
| 3 | BARPETA | 1964.2 | 2139.6 | -8 | 2181.8 | 2139.6 | 2 | 2242.7 | 2139.6 | 5 | 1840.9 | 2139.6 | -14 | 978.1 | 2139.6 | -54 |
| 4 | BISWANATH | | 1467.6 | | | 1467.6 | | | 1467.6 | | | 1467.6 | | 902.2 | 1467.6 | -39 |
| 5 | BONGAIGAON | 1361.4 | 2381.9 | -43 | 2497 | 2381.9 | 5 | 1405.6 | 2381.9 | -41 | 1591.1 | 2381.9 | -33 | 1226.4 | 2381.9 | -49 |
| 6 | CACHAR | 1711.3 | 1828.3 | -6 | 1897.1 | 1828.3 | 4 | 1608.6 | 1828.3 | -12 | 1610.1 | 1828.3 | -12 | 1677.9 | 1828.3 | -8 |
| 7 | CHARAIDEO | | 1046.1 | | | 1046.1 | | | 1046.1 | | | 1046.1 | | 1461.5 | 1046.1 | 40 |
| 8 | CHIRANG | 2257.6 | 2425 | -7 | 2821.2 | 2425 | 16 | 1902 | 2425 | -22 | 1518.4 | 2425 | -37 | 1366.8 | 2425 | -44 |
| 9 | DARRANG | 841.9 | 1311 | -36 | 906.9 | 1311 | -31 | 748.6 | 1311 | -43 | 498.3 | 1311 | -62 | 610.6 | 1311 | -53 |
| 10 | DHEMAJI | 1588.3 | 2093.9 | -24 | 2438.2 | 2093.9 | 16 | 1775.8 | 2093.9 | -15 | 1433.1 | 2093.9 | -32 | 1262.4 | 2093.9 | -40 |
| 11 | DHUBRI | 1194.7 | 2097 | -43 | 1598.2 | 2097 | -24 | 1539.1 | 2097 | -27 | 2115.1 | 2097 | 1 | 1149.2 | 2097 | -45 |
| 12 | DIBRUGARH | 1103.8 | 1496.9 | -26 | 1367.3 | 1496.9 | -9 | 1150.5 | 1496.9 | -23 | 1423 | 1496.9 | -5 | 974.7 | 1496.9 | -35 |
| 13 | DIMA HASAO | 652.3 | 1020.1 | -36 | 811.9 | 1020.1 | -20 | 598.4 | 1020.1 | -41 | 783.8 | 1020.1 | -23 | 718.3 | 1020.1 | -30 |
| 14 | GOALPARA | 1413.3 | 2031.5 | -30 | 1654.5 | 2031.5 | -19 | 1463.4 | 2031.5 | -28 | 1312.5 | 2031.5 | -35 | 1106.6 | 2031.5 | -46 |
| 15 | GOLAGHAT | 925.1 | 1059.4 | -13 | 799.8 | 1059.4 | -25 | 855.1 | 1059.4 | -19 | 912.8 | 1059.4 | -14 | 855.3 | 1059.4 | -19 |
| 16 | HAILAKANDI | 1278.9 | 1507 | -15 | 1769.9 | 1507 | 17 | 979.8 | 1507 | -35 | 1567.5 | 1507 | 4 | 1434.1 | 1507 | -5 |
| 17 | HOJAI | | 776.6 | | | 776.6 | | | 776.6 | | | 776.6 | | 775 | 776.6 | 0 |
| 18 | JORHAT | 982.4 | 1281.1 | -23 | 1141.8 | 1281.1 | -11 | 789.9 | 1281.1 | -38 | 1115.9 | 1281.1 | -13 | 1091.2 | 1281.1 | -15 |
| 19 | KAMRUP (RURAL) | 837.3 | 1292.7 | -35 | 1102.9 | 1292.7 | -15 | 781.2 | 1292.7 | -40 | 753.1 | 1292.7 | -42 | 710.1 | 1292.7 | -45 |
| 20 | KAMRUP METROPOLITAN | 711.4 | 1049.7 | -32 | 866.8 | 1049.7 | -17 | 745.2 | 1049.7 | -29 | 958.6 | 1049.7 | -9 | 717.1 | 1049.7 | -32 |
| 21 | KARBI ANGLONG | 703.2 | 889.4 | -21 | 635.5 | 889.4 | -29 | 583.7 | 889.4 | -34 | 686.9 | 889.4 | -23 | 551.4 | 889.4 | -38 |
| 22 | KOKRAJHAR | 2331.1 | 2656.5 | -12 | 2745.8 | 2656.5 | 3 | 2123.8 | 2656.5 | -20 | 2551.8 | 2656.5 | -4 | 1721 | 2656.5 | -35 |
| 23 | LAKHIMPUR | 1843.6 | 2031.8 | -9 | 1866.4 | 2031.8 | -8 | 1851.3 | 2031.8 | -9 | 1521.6 | 2031.8 | -25 | 1851.2 | 2031.8 | -9 |
| 24 | MAJULI | | 1281.1 | | | 1281.1 | | | 1281.1 | | 220 | 1281.1 | -83 | 1108.8 | 1281.1 | -13 |
| 25 | MORIGAON | 769.3 | 1127.5 | -32 | 638.2 | 1127.5 | -43 | 1003.1 | 1127.5 | -11 | 935.4 | 1127.5 | -17 | 942.9 | 1127.5 | -16 |
| 26 | NAGAON | 538.6 | 1067.7 | -50 | 470.4 | 1067.7 | -56 | 431.9 | 1067.7 | -60 | 633 | 1067.7 | -41 | 717.8 | 1067.7 | -33 |
| 27 | NALBARI | 1488.4 | 1612.4 | -8 | 1586.6 | 1612.4 | -2 | 1783.8 | 1612.4 | 11 | 1562.6 | 1612.4 | -3 | 809.7 | 1612.4 | -50 |
| 28 | SIBSAGAR | 1104.5 | 1202.9 | -8 | 1136.1 | 1202.9 | -6 | 1266.6 | 1202.9 | 5 | 1017.3 | 1202.9 | -15 | 822.5 | 1202.9 | -32 |
| 29 | SONITPUR | 1107.9 | 1144.5 | -3 | 879.4 | 1144.5 | -23 | 1156.6 | 1144.5 | 1 | 820.8 | 1144.5 | -28 | 1036.2 | 1144.5 | -9 |
| 30 | SOUTH SALMARA | | 2097 | | | 2097 | | | 2097 | | | 2097 | | 194 | 2097 | -91 |
| 31 | SRIBHUMI | 1840.1 | 2155.3 | -15 | 2562.2 | 2155.3 | 19 | 1926.7 | 2155.3 | -11 | 1907.1 | 2155.3 | -12 | 1857.6 | 2155.3 | -14 |
| 32 | TAMULPUR | | 1351.6 | | | 1351.6 | | | 1351.6 | | | 1351.6 | | 740.8 | 1351.6 | -45 |
| 33 | TINSUKIA | 1051.4 | 1470.5 | -28 | 1477.3 | 1470.5 | 0 | 1273.5 | 1470.5 | -13 | 1601.2 | 1470.5 | 9 | 973.8 | 1470.5 | -34 |
| 34 | UDALGURI | 1004.7 | 1416.6 | -29 | 1238.8 | 1416.6 | -13 | 1275.7 | 1416.6 | -10 | 1062.2 | 1416.6 | -25 | 1086.2 | 1416.6 | -23 |
| 35 | WEST KARBI ANGLONG | | 718.3 | | | 718.3 | | | 718.3 | | | 718.3 | | 581.2 | 718.3 | -19 |